জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭৭/২০২০

## জোনাইত ক'ভিড-১৯ ৰ সাম্প্ৰতিক পৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

# ক'ভিড-১৯ ৰ লগতে সম্ভাব্য বানপস্থিতিৰ বাবে জিলা প্ৰশাসন সম্পূৰ্ণৰূপে সাঁজু থাকিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ মে' ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ধেমাজি জিলাৰ জোনাই পৰিদৰ্শন কৰি ক'ভিড-১৯ ৰ যাৱতীয় ব্যৱস্থাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে লগতে জোনাই আৱৰ্ত্ত ভৱনত জোনাই মহকুমা আৰু ধেমাজি জিলা প্ৰশাসনৰ সৈতে এক বৈঠকত মিলিত হৈ এই ব্যৱস্থাৱলীসমূহৰ পৰ্যালোচনা কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে সম্ভাব্য বানপৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনক যাৱতীয় সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বানপৰিস্থিতিৰ সময়ত ক'ভিড-১৯ এ সৃষ্টি কৰা সকলো প্ৰত্যাহ্বান মোকাবিলা কৰাৰ দিশত যাৱতীয় ব্যৱস্থা লোৱাৰ বাবেও জিলা তথা মহকুমা প্ৰশাসনক নিৰ্দেশ দিয়ে। ক'ভিড-১৯ প্ৰট'কল ভালদৰে মানি চলি ৰাজ্যখনৰ জনসাধাৰণে এই অতিমাৰী নিয়ন্ত্ৰণৰ দিশত চৰকাৰলৈ সহায়ৰ হাত আগবঢ়াই অহাৰ বাবে জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে শেহতীয়াকৈ ৰাজ্যখনত ক'ভিড-১৯ ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ দিশত জনসাধাৰণক কোনো কাৰণতে ভীতিগ্ৰস্ত নহ'বলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলক আগন্তুক ঈদত উৎসৱমুখৰ পৰিৱেশৰ সলনি নিজৰ গৃহতে নামাজ আদায় কৰাৰ বাবে আহ্বান জনায় যাতে ক'ভিড সংক্ৰমণৰ শৃংখল স্তিমিত কৰিব পৰা যায়।

জোনাইত ক'ভিড-১৯ ৰ বাবে স্থাপন কৰা ৬ টা কোৱাৰেণ্টাইন চেণ্টাৰত স্বাস্থ্য সন্মত খাদ্য, বিশুদ্ধ খোৱাপানী আৰু অবিৰত বিদ্যুৎ যোগানৰ লেখীয়া অত্যাৱশ্যকীয় সেৱাসমূহ অবিৰতভাৱে যোগান ধৰাৰ বাবে ধেমাজি জিলাৰ উপায়ুক্ত আৰু জোনাই মহকুমাৰ মহকুমাধিপতিক নিৰ্দেশ দি মুখ্যমন্ত্ৰীয়ে এই সামূহিক কোৱাৰেণ্টাইন চেণ্টাৰ সমূহত স্বাস্থ্যসন্মত অস্থায়ী শৌচাগাৰ নিৰ্মাণৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক এই জটিল সময়ত সমাজৰ জ্যেষ্ঠ নাগৰিকসকলক টেলিফোনযোগে বাৰ্তালাপ কৰি তেওঁলোকৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি উৎসাহিত কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

বৈঠকত উপস্থিত থকা বেংকৰ বিষয়ববীয়াসকলক মুখ্যমন্ত্ৰীয়ে জিলাখনত থকা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীসকলক যথাসম্ভৱ সকলো প্ৰকাৰৰ সহায় আগবঢ়োৱাৰ বাবে নিৰ্দেশ দিয়ে। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে জিলাখনৰ সম্ভাৱনীয়তা থকা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ বেংকসমূহে উদ্যোগ বিভাগৰ সহযোগত চিনাক্ত কৰিব লাগিব যাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা ২০ লাখ কোটি টকাৰ পেকেজৰ পৰা এই উদ্যোগীসমূহে লাভান্বিত হ'ব পাৰে। অলপতে বেংকসমূহৰ সৈতে ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰা বৈঠকৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

মজলীয়া উদ্যোগসমূহলৈ বেংকসমূহে আমানতবিহীন ঋণ আগবঢ়োৱাৰ বাবে প্ৰতিশ্ৰুতিৰদ্ধ হৈছে আৰু ৰাজ্য চৰকাৰে এই দিশত গেৰেণ্টৰ হিচাপে অৱতীৰ্ণ হোৱাৰ বাবে সিদ্ধান্ত লৈছে যাতে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীসমূহে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নোহোৱাকৈ বেংকৰ ঋণ লাভ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীসকলক এই পদক্ষেপৰ পৰা লাভান্বিত হোৱাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

বৈঠকত কৃষি বিভাগে জোনাইত এইবছৰ ৪০০ মেট্ৰিকট'ন অভিলেখ পৰিমাণৰ মাকৈ উৎপাদন হৈছে বুলি মুখ্যমন্ত্ৰীক অৱগত কৰি ৰাজ্যখনৰ ভিতৰতে এইটো সৰ্ব্বোচ্চ উৎপাদন বুলি কয়। কৃষি বিভাগে ধেমাজি জিলাত মাকৈ সংসাধনৰ এটা গোট স্থাপনৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীক অনুৰোধ জনায় যাতে ইয়াৰ পৰা পশু খাদ্য ইত্যাদিৰ লেখীয়া সামগ্ৰী প্ৰস্তুত কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে এই বিষয়টো অতিশীঘ্ৰে বিচাৰ-বিবেচনা কৰি পদক্ষেপ লোৱা হ'ব বুলি আশ্বাস প্ৰদান কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে আফ্ৰিকান চোৱাইন ফিভাৰত আক্ৰান্ত হৈ মৃত্যু হোৱা গাহৰিৰ বিষয়টোৰো বুজ লোৱাৰ উপৰি জিলা প্ৰশাসনক ইয়াৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা গাহৰি পালকসকলৰ এখন তালিকা প্ৰস্তুত কৰাৰ বাবেও নিৰ্দেশ দিয়ে যাতে তেওঁলোকলৈ বিত্তীয় সাহায্য আগবঢ়াব পৰা যায়। জোনাইত এগৰাকী পূৰ্ণকালীন পশু স্বাস্থ্য বিষয়া নিয়োগ কৰাৰ বাবে জনোৱা আহ্বানৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই মুখ্যমন্ত্ৰীয়ে কয় যে জিলাখনৰ গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ বাবে মীন, গাহৰি পালনৰ লেখীয়া খণ্ডসমূহে বহন কৰা সম্ভাৱনীয়তাখিনি সম্পূৰ্ণৰূপে কামত খটুৱাব লাগিব।

আজিৰ এই পৰ্যালোচনামূলক বৈঠকত সাংসদ তপন কুমাৰ গগৈ, বিধায়কসকল ক্ৰমে ভূবন পেগু, ডাঃ ৰণোজ পেগু, প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, ধেমাজি জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, জোনাই মহকুমাৰ মহকুমাধিপতিৰ লগতে অন্যান্য বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসককল উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে জোনাইৰ মুৰ্কং চেলেক মহাবিদ্যালয়ত স্থাপন কৰা কোৱাৰেণ্টাইন চেণ্টাৰ পৰিদৰ্শন কৰি ইয়াত উপলব্ধ থকা বিভিন্ন সা-সুবিধাৰ বুজ লয়।

**স্বাক্ষৰ / বঃভাঃ**
**২৩/০৫/২০২০**


**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in